**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 5-07 -2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১।  প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৮ জুলাইত চাৰি দিনীয়া  ভ্ৰমণসূচীৰে ৰাছিয়া আৰু অষ্ট্ৰিয়ালৈ ৰাওনা হ'ব।

২।  বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযুষ গোয়েলে ড্ৰোণ প্ৰযুক্তিৰ বিকাশৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি প্ৰকাশ কৰিছে।

৩।  অসমৰ বান পৰিস্থিতিয়ে ক্ৰমাৎ জটিল ৰূপ ধাৰণ কৰিছে।

৪।  টি-২০ বিশ্বকাপ ক্ৰিকেটৰ চেম্পিয়ন ভাৰতীয় দলটোৱে কালি মুম্বাইত এটা বিজয় সমদলত অংশগ্ৰহণ কৰে।

*আৰু*

৫।  ভাৰতৰ যুকি ভাম্ব্ৰী আৰু তেওঁৰ ফৰাচী সহযোগী আলবানো অলিভেট্টি উইম্বলডন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৮ জুলাইত চাৰি দিনীয়া  ভ্ৰমণসূচীৰে ৰাছিয়া আৰু অষ্ট্ৰিয়ালৈ ৰাওনা হ'ব। বিদেশ মন্ত্ৰ্যালয়ে কৈছে যে, ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ আমন্ত্ৰণ মৰ্মে ২২ সংখ্যক ভাৰত-ৰাছিয়া সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে শ্ৰী মোদী ৮ জুলাই'ত মস্কোত উপস্থিত হ'ব। দুয়োগৰাকী নেতাই সাম্প্ৰতিক আঞ্চলিক আৰু পাৰস্পৰিক স্বাৰ্থজৰিত বিভিন্ন বিষয় লৈ আলোচনা কৰিব। তাৰ পাছত প্ৰধানমন্ত্ৰী মোদী ৯ জুলাইত অষ্ট্ৰিয়ালৈ ৰাওনা হ'ব। এয়া হ'ব বিগত ৪১ বছৰত কোনো এগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথমটো অষ্ট্ৰিয়া ভ্ৰমণ। ভ্ৰমণকালত শ্ৰী মোদীয়ে অষ্ট্ৰিয়াৰ ৰাষ্ট্ৰপতি আলেকজেণ্ডাৰ ৱেন ডেৰ বেলেনক সাক্ষাৎ কৰিব আৰু দেশখনৰ ছেঞ্চেলৰ কাৰ্ল নিহামাৰৰ সৈতে আলোচনাত মিলিত হ'ব। প্ৰধানমন্ত্ৰী আৰু ছেঞ্চেলাৰগৰাকীয়ে উভয় দেশৰ আগশাৰীৰ ব্যাৱসায়ীসকলকো সম্বোধন কৰিব। প্ৰধানমন্ত্ৰীয়ে মস্কো আৰু ভিয়েনাত থকা ভাৰতীয় লোকসকলৰ সৈতেও মত বিনিময় কৰিব।

ooooo

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে দুদিনীয়া ভ্ৰমণসূচীৰে কাইলৈ কেৰালালৈ যাব। শ্ৰী ধনখড় কাইলৈ ভাৰতীয় মহাকাশ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ দ্বাদশ সমাৱৰ্তন অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

ooooo

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযুষ গোয়েলে কালি কয় যে, ভাৰতৰ বিকাশত, বিশেষকৈ কৃষি আৰু বতৰ নিৰীক্ষণত ড্ৰোণে উল্লেখযোগ্য ভূমিকা পালন কৰিব পাৰে। নতুন দিল্লীত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় উদ্ভাৱন সন্মিলনত অংশগ্ৰহণ কৰি শ্ৰী গোয়েলে ড্ৰোণ প্ৰযুক্তিৰ বিকাশৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি প্ৰকাশ কৰে। ড্ৰোণ খণ্ডৰ স্বাৱলম্বিতা সুনিশ্চিত কৰিবলৈ চৰকাৰে উদ্যোগসমূহক সমৰ্থন আৰু প্ৰয়োজনীয় সাহাৰ্য প্ৰদান কৰিবলৈ সাজু আছে বুলিও তেওঁ জানিবলৈ দিয়ে।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে তৃতীয়টো কাৰ্যকালৰ ভিতৰতে ভাৰতক বিশ্বৰ তৃতীয় বৃহত্তম অৰ্থনীতি হিচাপে বিকশাই তুলিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগীৰ বিষয়েও প্ৰকাশ কৰে। উদ্ভাৱন আৰু প্ৰযুক্তিখণ্ডত, বিশেষকৈ ড্ৰোণ খণ্ডত চৰকাৰৰ সঁহাৰিয়ে কেৱল বিভিন্ন উদ্যোগক সহায় কৰাই নহয় বৰং ভাৰতৰ অৰ্থনৈতিক বিকাশো ত্বৰান্বিত কৰিব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

তেওঁ লগতে কয় যে চৰকাৰে আন্তঃগাঁথনি বিকাশৰ ক্ষেত্ৰতো চকুত লগা ধৰণে বিনিয়োগ কৰিছে আৰু ই দেশৰ অৰ্থনীতিত ইতিবাচক প্ৰভাৱ পেলাব বুলি আশা কৰা গৈছে।

ooooo

হাথৰাছৰ ঘটনাৰ তদন্তৰ বাবে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথৰ নিৰ্দেশত গঠিত তিনিজনীয়া ন্যায়িক তদন্ত আয়োগে কালি লক্ষ্ণৌৰ হজৰতগঞ্জৰ নৈমিষাৰণ্যত এখন বৈঠকত মিলিত হয়। এলাহবাদ উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ ব্ৰিজেছ কুমাৰ শ্ৰীবাস্তৱৰ নেতৃত্বত গঠিত এই আয়োগত ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া হেমান্ত ৰাও আৰু ভাৰতীয় আৰক্ষীসেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া ভবেশ কুমাৰক সদস্য হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। বৈঠকৰ অন্তত ন্যায়াধীশ শ্ৰীবাস্তৱে সাংবাদিকৰ আগত কয় যে তেওঁলোক শীঘ্ৰে এই ঘটনাৰ তদন্তৰ বাবে হাথৰাছলৈ ৰাওনা হ'ব। আয়োগে দুমাহৰ ভিতৰত ঘটনাৰ প্ৰতিবেদন প্ৰস্তুত কৰিব আৰু চৰকাৰক দাখিল কৰিব।

ooooo

নেৰানেপেৰা বৰষুণৰ ফলত অসমৰ বান পৰিস্থিতিয়ে ক্ৰমাৎ জটিল ৰূপ ধাৰণ কৰিছে। এই বানত ২৯ খন জিলাৰ ২১ লাখৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। অসমৰ ৰাজ্যপাল শ্ৰীগুলাব চান্দ কাটাৰীয়াই ইতিমধ্যে বানত অত্যাধিক ক্ষতিগ্ৰস্ত মৰিগাঁও জিলা ভ্ৰমণ কৰে আৰু বানত আক্ৰান্ত লোকসকলৰ সৈতে বাৰ্তালাপত মিলিত হয়। তেওঁ বানৰ ফলত জিলাখনত হোৱা ক্ষয়-ক্ষতিৰ বুজ লোৱাৰ লগতে জিলা প্ৰশাসনক ক্ষতিগ্ৰস্ত লোকসকলৰ সুবিধাৰ্থে প্ৰয়োজনীয় ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিয়ে। ইফালে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মাজুলী, ধেমাজি আৰু লখিমপুৰৰ বানাক্ৰান্ত অঞ্চল পৰিদৰ্শন কৰি জিলা প্ৰশাসনক উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে।

বিগত ২৪ ঘণ্টাত ৬ গৰাকীতকৈও অধিক লোকৰ মৃত্যু হোৱাত ৰাজ্যখনৰ বানত এতিয়ালৈ মৃত্যু হোৱাৰ সংখ্যা ৫২ লৈ বৃদ্ধি পাইছে। এতিয়ালৈ ৰাজ্যখনত ১০৭টা ৰাজহচক্ৰৰ অধীনৰ তিনি হাজাৰ ২০০ খন গাঁৱৰ ৫৭ হাজাৰ হেক্টৰ কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। ব্ৰহ্মপুত্ৰ, বৰাক লগতে সকলো উপনৈৰ জলস্তৰ বিপদসীমাৰ ওপৰেৰে বৈ আছে। এই বানত বিগত ২৪ ঘণ্টাত ১৪৫টা পথ, ১৩টা মথাউৰি আৰু দুখন দলং ক্ষতিগ্ৰস্ত হোৱাৰ বাতৰি আহিছে। ইফালে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম আৰু চুবুৰীয়া অৰুণাচল প্ৰদেশত প্ৰবল বৃষ্টিপাতৰ সতৰ্কবাণী জাৰি কৰিছে। অসমত ৰাজ্য চৰকাৰে বিভিন্ন স্থানত ইতিমধ্যে ৪৫১টা সাহায্য বিতৰণ কেন্দ্ৰৰ লগতে ২৪৭টা সাহায্য কেন্দ্ৰ মুকলি কৰিছে। বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীয়ে ৰাজ্যখনত উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত ৰাখিছে।

ooooo

২০২৪-২৫ শিক্ষাবৰ্ষৰ পৰা তৃতীয় আৰু ষষ্ঠ শ্ৰেণীত নতুন পাঠ্যপুথি প্ৰৱৰ্তন কৰা হ'ব। শিক্ষা মন্ত্ৰালয়ে জনোৱা অনুসৰি নতুন পাঠ্যপুথি প্ৰণয়নৰ কাম চূড়ান্ত পৰ্যায়ত আছে আৰু তৃতীয় আৰু ষষ্ঠ শ্ৰেণীৰ বাবে ৯খন পাঠ্যপুথি ইতিমধ্যে উপলব্ধ কৰোৱা হৈছে। বাকী ৮ খন পাঠ্যপুথি অতি সোনকালে উপলব্ধ হ'ব বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে বিদ্যালয়, শিক্ষা আৰু সাক্ষৰতা বিভাগৰ সচিব, কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ– চি বি এছ ইৰ অধ্যক্ষ আৰু ৰাষ্ট্ৰীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ– এন চি ই আৰ টিৰ সঞ্চালকৰ সৈতে পাঠ্যপুথি প্ৰণয়নৰ কামৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। এন চি ই আৰ টিয়ে ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ আৰু বিদ্যালয় শিক্ষাৰ বাবে ৰাষ্ট্ৰীয় পাঠ্যক্ৰম পৰিকাঠামোৰ অধীনত নতুন পাঠ্যপুথি প্ৰণয়নৰ কাম অব্যাহত ৰাখিছে।

ooooo

সদ্য সমাপ্ত টি-২০ বিশ্বকাপ ক্ৰিকেটৰ চেম্পিয়ন ভাৰতীয় দলটো কালি পুৱা নতুন দিল্লীত উপস্থিত হয়। অগণন অনুৰাগীয়ে দলটোক নতুন দিল্লীত আদৰণি জনোৱাৰ পাছত দলটোৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে আৰু তেওঁলোকৰ অভিজ্ঞতাসমূহ অৱগত কৰে। তাৰ পাছত ভাৰতীয় দলটো মুম্বাইত উপস্থিত হয় আৰু নাৰিমান পইণ্টৰ পৰা ৱাংখেড়ে ষ্টেডিয়ামলৈ অসংখ্য অনুৰাগীৰ হৰ্ষোল্লাসৰ মাজেৰে এখন মুকলি বাছত উঠি বিজয় সমদলত অংশ লয়। সমদলত খেলুৱৈসকলৰ লগতে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ-বি চি চি আইৰ সচিব জয় শ্বাহে অংশগ্ৰহণ কৰে। ইয়াৰ আগেয়ে কালি বিয়লি মুম্বাইত উপস্থিত হোৱাৰ সময়তো ভাৰতীয় দলটোক বিপুল আদৰণি জনোৱা হয়।

ooooo

ভাৰতৰ য়ুকি ভাম্ব্ৰী আৰু তেওঁৰ ফৰাচী সহযোগী আলবানো অলিভেট্টি লণ্ডনত চলি থকা উইম্বলডন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। ভাম্ব্ৰী আৰু অলিভেট্টিয়ে কালি বিয়লি অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথম ৰাউণ্ডৰ খেলত কাজাখস্তানৰ আলেকজেণ্ডাৰ বুবলিক আৰু আলেকজেণ্ডৰ ছেভছেনকোক ৬-৪, ৬-৪ ছেটত পৰাস্ত কৰে।

অৱশ্যে পুৰুষৰ ডাবলছৰ আন এখন খেলত ভাৰতৰ এন শ্ৰীৰাম বালাজী আৰু তেওঁৰ সহযোগী লিউক জনছনৰ যুটীটো ফ্ৰেন্স অপেনৰ বিজয়ী ক্ৰৱেছিয়াৰ মেট পেভিক আৰু এল ছালভাড'ৰৰ মাৰ্ছেলো আৰেভালোৰ বিৰুদ্ধে ৪-৬, ৬-৭ ছেটত পৰাস্ত কৰে।

ইপিনে ভাৰতৰ ৰোহন বোপান্না আৰু তেওঁৰ অষ্ট্ৰেলিয়াৰ সহযোগি মেথিউ এবডেনৰ যুটীটো প্ৰতিযোগিতাৰ পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰিছে। যুটীটোৱে প্ৰথম ৰাউণ্ডত নেডাৰলেণ্ডছৰ ছেণ্ডাৰ আৰেণ্ডছ আৰু ৰবিন হাছেৰ যুটীটোক ৭-৫, ৬-৪ ছেটত পৰাস্ত কৰে। বোপান্না আৰু এবডেনৰ যুটীটো আজি বিয়লি হ'বলগীয়া প্ৰতিযোগিতাৰ দ্বিতীয় ৰাউণ্ডৰ খেলত জাৰ্মানীৰ হেন্দ্ৰিক জেবেঞ্চ আৰু কনষ্টানটিন ফ্ৰাণ্টজেনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

অৱশ্যে ভাৰতৰ সুমীত নাগল আৰু তেওঁৰ ছাৰ্বিয়াৰ সহযোগী দুছান লাজ'ভিকৰ যুটীটো প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ প্ৰথম ৰাউণ্ডতে পৰাস্ত হৈছে। প্ৰথম ৰাউণ্ডত নাগল আৰু লাজ'ভিকৰ যুটীটোক স্পেইনৰ পেড্ৰ' মাৰ্টিনেজ আৰু জাউমে মুনাৰৰ যুটীটোৱে ৬-২, ৬-২ পোনপটীয়া ছেটত পৰাস্ত কৰে। ইয়াৰ আগেয়ে সুমীত নাগল পুৰুষৰ ছিংগলছৰ প্ৰথম ৰাউণ্ডতো ছাৰ্বিয়াৰ মিঅ'মিৰ কেকমানভিকৰ বিৰুদ্ধে পৰাস্ত হৈছিল।

ooooo

মধ্যপ্ৰদেশ উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ ছিল নাগোক পাঞ্জাব আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তি দিয়া হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এই নিযুক্তিত অনুমোদন জনাইছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি পেৰিছ্ অলিম্পিকত অংশগ্ৰহণ কৰিবলগীয়া ভাৰতীয় দলটোৰ সদস্যসকলৰ সৈতে মত বিনিময় কৰে। সামাজিক মাধ্যমত লিখা এটা পোষ্টত শ্ৰী মোদীয়ে কয় যে, খেলুৱৈসকলে প্ৰতিযোগিতাত নিজৰ সৰ্বোচ্চ উজাৰি দিব আৰু দেশলৈ গৌৰৱ কঢ়িয়াই আনিব বুলি তেওঁ বিশ্বাসী। খেলুৱৈসকলৰ জীৱন কাহিনী আৰু সাফল্যই ১৪০ কোটি ভাৰতীয়ৰ প্ৰাণত আশাৰ সঞ্চাৰ কৰে বুলিও তেওঁ লগতে প্ৰকাশ কৰে।

ooooo

সমাপ্ত